# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৪২৩/২০২০**

**মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰিলে গুৱাহাটী প্ৰেছ ক্লাবৰ নৱ নিৰ্বাচিত কাৰ্যকৰী সমিতিয়ে**

## গুৱাহাটী প্ৰেছ ক্লাবলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৩ জুনঃ** গুৱাহাটী প্ৰেছ ক্লাবৰ নৱ-নিৰ্বাচিত কাৰ্যকৰী সমিতিৰ এটা দলে আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। নৱ-নিৰ্বাচিত সভাপতি মনোজ কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক সঞ্জয় ৰায়ৰ নেতৃত্বত অহা দলটোৱে মুখ্যমন্ত্ৰীগৰাকীক গুৱাহাটী প্ৰেছ ক্লাবৰ বিভিন্ন সমস্যা আৰু অভাৱ-অভিযোগৰ বিষয়ে অৱগত কৰাৰ লগতে এখন স্মাৰক পত্ৰও প্ৰদান কৰে। বিশেষকৈ ক্লাবৰ স্থায়ী কাৰ্যালয়ৰ বাবে মহানগৰীৰ মাজমজিয়াত এটুকুৰা ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ তেওঁলোকে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে প্ৰেছ ক্লাবৰ নৱ-নিৰ্বাচিত সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰে। অনাগত সময়ত প্ৰেছ ক্লাবটোলৈ সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে তেওঁলোকৰ অভাৱ-অভিযোগসমূহৰ সমাধানৰ বাবে ইতিবাচক দৃষ্টিভংগীৰে পদক্ষেপ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

আজিৰ সাক্ষাৎ কালত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে গুৱাহাটী প্ৰেছ ক্লাবৰ উপ-সভাপতি ধনীৰাম কলিতা, কোষাধ্যক্ষ নয়ন প্ৰতীম শৰ্মা, সহকাৰী সম্পাদক মুনীন্দ্ৰ ডেকা, সহকাৰী সম্পাদিকা মণীষা কলিতা, ক্ৰীড়া সম্পাদক ধীৰাজ হাজৰিকা, সাংস্কৃতিক সম্পাদিকা পল্লৱী বৰা, কাৰ্যনিৰ্বাহক সদস্য গালিবুৰ ৰহমান আৰু কিশোৰজ্যোতি শৰ্মা উপস্থিত থাকে।

**প্ৰঃ কুঃ বঃ**
**১৩/৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in